Tel :0361-2450409 (O)
0361-2529542 (O)

# ASSAM PRADESH CONGRESS COMMITTEE

## RAJIV BHAWAN

### INDIRA GANDHI HIGHWAY (G.S. ROAD), GUWAHATI-781005

০২-০৯-২০১৬

## প্ৰেছ বিবৃতি

### ১০০ দিনৰ সপোন দেখুওৱা বিজেপিয়ে খতিয়ান বিচৰাত জাঙুৰ খাই উঠিছে কিয় ? কংগ্ৰেছ

গুৱাহাটী ০২ ছেপ্টেম্বৰ – মিথ্যাচাৰ আৰু অলৌকিক সপোন দেখুৱাই ৰাজ্যৰ ক্ষমতাৰ বাঘজৰী হাতত লোৱাৰ পিছতেই মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বাধীন বিজেপি মিত্ৰজোঁটৰ চৰকাৰে ১০০ দিনৰ কৰ্মসূচীৰে অসমবাসীক দিয়া প্ৰতিশ্ৰুতিৰ কিমান কাৰ্যকৰী হ'ল তাৰ খতিয়াম বিচৰাত বিজেপি দলে ইয়ান ভাৰসাম্যহীন আচৰণ কৰিছে কিয় বুলি অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ জ্যেষ্ঠ মুখপাত্ৰ অপূৰ্ব কুমাৰ ভট্টাচাৰ্য্যই প্ৰশ্ন তুলিছে। ১০০ দিনৰ ভিতৰত অলৌকিক পৰিৱৰ্তনৰ কথা আমি কোৱা নাছিলো বা দাবীও কৰা নাছিলো। বিজেপিয়ে দিয়া প্ৰতিশ্ৰুতিৰ খতিয়ান বিচৰাতো অসমৰ ৰাইজৰ অধিকাৰ নাই নেকি? বিজেপিয়ে প্ৰশাসনিক জ্ঞান নোহোৱাকৈ কংগ্ৰেছক সমালোচনা কৰাটো লজ্জাজনক কথা। কংগ্ৰেছে ছয় দশকৰ খতিয়ান নিদিয়াৰ অভিযোগ দাঙি ধৰাৰ পূৰ্বে বিত্তীয় ব্যৱস্থা পৰিচালনাৰ সম্যক জ্ঞান আহৰণ কৰি লওঁক। কাৰণ, কোনো চৰকাৰে আয়-ব্যয়ৰ খতিয়ান নিয়মিতভাৱে দাখিল নকৰাকৈ থাকিব নোৱাৰে। ''কম্পট্ৰ'লাৰ এণ্ড অডিটৰ জেনেৰেল'' চমুকৈ 'কেগ'ৰ দ্বাৰা প্ৰতিবছৰে হিচাব পৰীক্ষা কৰি সংসদত উত্থাপন কৰিব লাগে আৰু সংসদে ইয়াক আলোচনা মৰ্মে অনুমোদন জনায়। তেনেস্থলত কংগ্ৰেছে ছয় দশককাল হিচাপ নিদিয়াতো সত্য নে ? নিজৰ ব্যৰ্থতা ঢাকিবলৈকে কংগ্ৰেছক দোষাৰোপ কৰিটো বিজেপিৰ এটা নিয়মত পৰিণত হৈছে। বৰ্তমানে হোৱা মূল্যবৃদ্ধিৰ বাবেও কংগ্ৰেছে জগৰীয়া নেকি ? বিগত দুই বছৰে মোদী চৰকাৰৰ অসম প্ৰেমৰ নমুনা আমি দেখিছো। মাননীয় তৰুণ গগৈদেৱে ২০০১ চনত ৰাজ্যৰ শাসনভাৰ চমজি লোৱা সময়ত ৰাজ্যৰ বিত্তীয় তথা আইন শৃংখলা পৰিস্থিতি কেনে আছিল বিজেপিয়ে আগতে তাৰ উমান লওঁক।

(অপূৰ্ব কুমাৰ ভট্টাচাৰ্য)
জ্যেষ্ঠ মুখপাত্ৰ,
অসম প্ৰদেশ কংগ্ৰেছ কমিটী